## গুপ্ত যুগৰ বাণিজ্যৰ নমুনা।

গুপ্ত যুগৰ অৰ্থনৈতিক অৱস্থা যথেষ্ট উন্নতমানৰ আছিল বুলি বিভিন্ন তথ্যৰ পৰা জনা যায়। অৰ্থনীতি মূলতঃ কৃষি প্ৰধান হ'লেও আন্তঃদেশীয় আৰু বহিঃবাণিজ্যই ইয়াক যথেষ্ট প্ৰভাৱিত কৰিছিল।

গুপ্ত যুগত বণিকসকলক দুটা শ্ৰেণীত ভগোৱা হৈছিল- (১) শ্ৰেষ্ঠী আৰু (২) সাৰ্থবাহসকল। শ্ৰেষ্ঠীসকলে সাধাৰণতে একেটা নিৰ্দিষ্ট অঞ্চলত থাকি ব্যৱসায় পৰিচালনা কৰিছিল আৰু সামাজিকভাৱে তেওঁলোক যথেষ্ট প্ৰতিপত্তিশালী হোৱাৰ লগতে ৰাজনীতিতো প্ৰভাৱ বিস্তাৰ কৰিছিল। সাৰ্থবাহসকলে গৰু গাড়ীৰে পণ্য-সামগ্ৰী পৰিবহণ কৰি লাভজনক দামত বিভিন্ন অঞ্চলত বিক্ৰী কৰিছিল। এই শ্ৰেণীৰ লোকসকলৰ সামাজিক স্থিতিও যথেষ্ট সবল আছিল।

গুপ্ত যুগত আন্তঃদেশীয় আৰু আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত বিভিন্ন আইন প্ৰণয়ন কৰা হৈছিল। এইক্ষেত্ৰত নাৰদ আৰু বৃহস্পতিৰ বাণিজ্যিক আইনসমূহ উল্লেখযোগ্য। বস্তুৰ গুণাগুণ, জোখ-মাখ, কিনা-বেচাৰ পদ্ধতি আৰু সামগ্ৰী চুৰি হোৱাৰ ক্ষেত্ৰত চোৰৰ প্ৰতি লোৱা আইনী ব্যৱস্থা বিশেষভাৱে উল্লেখনীয়। গুপ্ত যুগত সামগ্ৰীৰ চাহিদা আৰু যোগানৰ ওপৰত ভিত্তি কৰি দাম নিৰ্ধাৰণ কৰা হৈছিল। বাণিজ্যিক গতিবিধিত- [illegible] আৰু স্বতন্ত্ৰ গোটবোৰে উৎপাদন ব্যৱস্থা নিয়ন্ত্ৰণ কৰিছিল। কালাচাৰি শিলালিপিৰ তথ্যমতে বাণিজ্যিক গোটসমূহে প্ৰামাণিক মুদ্ৰাৰ সম্প্ৰসাৰণ ঘটাইছিল।

আন্তঃদেশীয় বাণিজ্যত নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ প্ৰচলন অধিক আছিল। তদুপৰি বিভিন্ন মচলা, সুগন্ধি, প্ৰসাধন সামগ্ৰী, অলংকাৰ, হাতীদাঁতৰ সামগ্ৰী আৰু খনিজাত দ্ৰব্যও আছিল। যি সমসাময়িকত বাণিজ্যই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল বুলি কালিদাস, বৰাহমিহিৰ আৰু অমৰসিংহৰ লিখনিৰ পৰা জনা যায়। অমৰকোষত - সোণ, ৰূপ, তামা, সীহ, লো, মাইকা, মেংগানিজ আৰু ৰঙা আৰ্চেনিকৰ ব্যৱহাৰৰ তথ্য পোৱা যায়। লোৰ ব্যৱহাৰ যথেষ্ট উন্নতমানৰ আছিল। সোণাৰি আৰু মৃৎশিল্পী সকলৰ নিৰ্মিত সামগ্ৰীসমূহৰ চাহিদা যথেষ্ট আছিল।

বহিঃবাণিজ্যৰ ক্ষেত্ৰত গুপ্তযুগত বিশেষ সম্প্ৰসাৰণ ঘটা নাছিল যদিও কেবাখন দেশৰ লগত বাণিজ্যিক সম্বন্ধ থকাৰ তথ্য পোৱা যায়। বাইজেন্টাইন সাম্ৰাজ্যৰ লগত হোৱা বাণিজ্যিক সম্পৰ্কই আমা-

Scanned with CamScanner

(২)

সামাজিক দিশত বিশেষ প্ৰভাৱ পেলাইছিল। জাষ্টিনৰ লিখনি মতে ভাৰতে প্ৰচুৰ পৰিমাণৰ সামগ্ৰী ৰপ্তানি কৰিছিল। বিভিন্ন মছলা, হাতী দাঁতৰ সামগ্ৰী, সোণ, কপাহ আৰু কাপোৰ আছিল অন্যতম। পাৰস্যৰ সম্ৰাটসকলৰ প্ৰচেষ্টাৰ বহুতৰ ভাৰতত বিশেষ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল। আৰব, আৰ্মেনিয়া, আৰু পাৰস্যৰ লগতো ভাৰতৰ বাণিজ্যিক সম্পৰ্ক স্থাপিত হৈছিল।

গুপ্তযুগত দাক্ষিণাত্যৰ উপকূলেদি শ্ৰীলংকাৰ লগত বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰা হৈছিল। ভাৰতৰ পৰা চন্দন, মছলা, বিভিন্নজাতৰ কাপোৰ, হাতী-ঘোঁৰা ৰপ্তানি আৰু মণি-মুকুতা, মদ আদি আমদানী কৰা হৈছিল।

দক্ষিণ-পূব এছিয়াৰ লগতো বাণিজ্যিক সম্পৰ্ক সুদৃঢ় হোৱাৰ তথ্য পোৱা যায়। চীন আৰু পূব-এছিয়াৰ লগত বাণিজ্যিক সম্পৰ্ক ম্লান পৰাৰ বিপৰীতে পাশ্চাত্য দেশৰ সম্পৰ্ক গঢ়ি উঠিছিল বাণিজ্যিক আৰু সাংস্কৃতিক দুয়োৰবাবে।

বাণিজ্যত মুদ্ৰাৰ মাধ্যমেৰে সম্পাদিত হৈছিল। আনহাতে, দেশীয় বাণিজ্যত তামৰ মুদ্ৰা ব্যৱহৃত হোৱাৰ বিপৰীতে আন্তৰ্জাতিক বাণিজ্যত সোণৰ মুদ্ৰা ব্যৱহাৰ কৰা হৈছিল। গতানুগতিক বাণিজ্য কড়ি বা বিনিময় প্ৰথাৰ মাধ্যমেদি কৰা হৈছিল। গুপ্তযুগৰ অৰ্থনীতি আত্ম-নিৰ্ভৰশীল আছিল যদিও পিছলৈ বিভিন্ন কাৰণত অৰ্থ ব্যৱস্থা পতনমুখী হ'বলৈ ধৰে। বাৎস্যায়নৰ কামসূত্ৰৰ তথ্যমতে গুপ্তযুগৰ নাগৰিক সকল যথেষ্ট সম্পদশালী আছিল।

—X—